بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## কুৰতাৰ যুদ্ধৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ ডিচেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ـ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ـ الرَّحۡمٰنِ الرَّحِیۡمِ ـ مٰلِکِ یَوۡمِ الدِّیۡنِ ـ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ـ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ـ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ উদ্ধৃতিত আজি এটা যুদ্ধৰ কথা উল্লেখ কৰিম যাক ছৰিয়া কুৰতা বুলি কোৱা হয়, এই যুদ্ধ ১০ মুহৰম ৬ হিজৰী তাৰিখে সংঘটিত হৈছিল, আৰু আঁহজৰত (ছাঃ)য়ে মহম্মদ বিন মাছলামা (ৰাঃ)ক ত্ৰিছ অশ্বাৰোহীৰ সৈতে কুৰতাৰ ফালে ৰাওনা কৰে। এই অভিযানৰ বাবে তেখেত (ৰাঃ)য়ে ঊনিছ ৰাতি মদিনাৰ বাহিৰত অৱস্থান কৰিছিল আৰু ২৯ মহৰম ৬ হিজৰীত মদিনালৈ উভতি আহে। ইয়াৰ বিস্তাৰিত বিৱৰণ বিভিন্ন পুস্তক আৰু ইতিহাসৰ পৰা হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে যি লিখিছে সেয়া এই ধৰণে যে ৬ হিজৰী আৰম্ভই হৈছিল আৰু কামৰী বছৰৰ প্ৰথম মাহ অৰ্থাৎ মহৰম মাহৰ প্ৰাৰম্ভিক তাৰিখ আছিল যে আঁহজৰত (ছাঃ)য়ে নাজাদৰ ফালৰ পৰা ভাবুকিৰ সংবাদ পাইছিল। এই ভয় কবিলা কুৰতাৰ ফালৰ পৰা পাইছিল যিটো আছিল বনু বকৰৰ এটা শাখা; নাজদৰ এলেকা জাৰিয়া নামৰ ঠাইত যি মদিনাৰ পৰা সাত দিনীয়া দূৰত্বত অৱস্থিত আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই সন্দৰ্ভত বিশদ ভাৱে বৰ্ণনা কৰিছে যে এইটো আছিল শত্ৰু সকলৰ দল যিসকলে মদিনাৰ ওপৰত আক্ৰমণ কৰাৰ পৰিকল্পনা কৰি আছিল, সেইটো বাধা দিয়াৰ বাবে আঁহজৰত (ছাঃ)য়ে তেওঁলোকক পঠিয়াইছিল আৰু তাতেও এই নম্ৰতা প্ৰদৰ্শন কৰা হৈছিল যে মহিলা আৰু শিশুসকলক একোৱে কোৱা নাছিল।

সেই সময়ছোৱাত ছুমামা বিন উছাল কাৰাগাৰত বন্দী হোৱাৰ ঘটনা আৰু ইছলাম গ্ৰহণ কৰাৰ উল্লেখও পোৱা যায়। ইয়াৰ বিস্তাৰিত বিৱৰণ ছিৰত খাতামান নাবিঈনত লিখা হৈছে যে এই অভিযানত

অৰ্থাৎ ছৰিয়া কুৰতাৰ পৰা উভতি অহাৰ সময়ত ছুমামা বিন উছালৰ বন্দীৰ ঘটনা ঘটিছিল। এবাৰ আঁহজৰত (ছাঃ)ৰ এজন দূতে এই এলেকালৈ আহে, তেওঁ যুদ্ধৰ সকলো আইন অবজ্ঞা কৰি তেওঁক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰিছিল, বৰঞ্চ তেওঁ এবাৰ আঁহজৰত (ছাঃ)ক হত্যা কৰাৰ পৰিকল্পনাও কৰিছিল। যেতিয়া মহম্মদ বিন মাছলামা (ৰাঃ)ৰ দলে ছুমামাক বন্দী কৰি লৈ আহে তেতিয়া জনা নাছিল যে এইজন কোন হয় ? তেওঁলোকে কেৱল তেওঁক সন্দেহৰ ভিত্তিত বন্দী কৰিছিল; ছুমামায়ো অতি বিচক্ষণাতাৰে নিজৰ বাস্তৱতাক প্ৰকাশ কৰা নাছিল, কাৰণ তেওঁ জানিব পৰিছিল যে মোক ইছলামৰ বিৰুদ্ধে সাংঘাতিক অপৰাধত দোষী সাব্যস্ত কৰা হৈছে, ইছলামৰ সেই ঈৰ্ষাপৰায়ণ সৈন্যসকলে জানিব পাৰে যে মই কোন হওঁ তেতিয়া তেওঁলোকে মোৰ ওপৰত অত্যাচাৰ কৰিব বা হত্যা কৰি পেলাব; কিন্তু আঁহজৰত (ছাঃ)য়ে তেওঁৰ সৈতে উত্তম আচৰণ কৰিব বুলি প্ৰত্যাশা ৰাখিছিল। অৰ্থাৎ মদিনা উভতি অহালৈকে মহম্মদ বিন মাছলামা (ৰাঃ)ৰ দলৰ মাজত ছুমামাৰ পৰিচয় লুকাই আছিল।

মদিনা উভতি আহি যেতিয়া ছুমামাক আঁহজৰত (ছাঃ)ৰ সন্মুখত উত্থাপন কৰা হয়, তেখেত (ছাঃ)য়ে তেওঁক দেখাৰ লগে লগে চিনি পাই মহম্মদ বিন মাছলামা (ৰাঃ) আৰু তেওঁৰ লগৰীয়া সকলক কয় যে তোমালোকে জানানে এইজন কোন ? তেওঁলোকে কলে যে আমি নাজানো, তাৰ পিছত তেখেত (ছাঃ)য়ে তেওঁলোকৰ ওপৰত বাস্তৱতা প্ৰকাশ কৰিলে। ইয়াৰ পিছত অভ্যাস অনুসৰি ছুমামাৰ সৈতে ভাল আচৰণ কৰাৰ নিৰ্দেশ দিলে, তাৰ পিছত ঘৰৰ ভিতৰত গৈ কলে যে খোৱাৰ বাবে যি আছে সেইবোৰ ছুমামাৰ বাবে পঠাই দিয়া; লগতে তেখেত (ছাঃ)য়ে চাহাবা সকলক এয়াও কয় যে ছুমামাক আন কোনো ঘৰত ৰখাৰ পৰিৱৰ্তে মছজিদ নবৱীৰ চোতালত কোনো স্তম্ভৰ সৈতে বন্দী কৰি ৰখা হওঁক, তেখেত (ছাঃ)ৰ এনে কৰাৰ উদ্দেশ্য আছিল যে যাতে তেখেত (ছাঃ)ৰ বৈঠক আৰু মুছলমান সকলৰ নামাজ ছুমামাৰ চকুৰ সন্মুখতে অনুষ্ঠিত হয় আৰু তেওঁৰ হৃদয় এই আধ্যাত্মিক দৃশ্য চাই প্ৰভাৱিত হৈ ইছলামৰ ফালে আকৃষ্ট হয়।

সেই দিনবোৰতে আঁহজৰত (ছাঃ)য়ে প্ৰতিদিন ৰাতিপুৱা আঁহজৰত (ছাঃ)য়ে ছুমামাৰ ওচৰত গৈ উপস্থিত হৈ তেওঁৰ খা-খবৰ সুধিছিল যে ছুমামা ! কোৱা এতিয়া তোমাৰ ইচ্ছা কি ? ছুমামাই উত্তৰ দিছিল ! হে মহম্মদ (ছাঃ) যদি আপুনি মোক হত্যা কৰি পেলায় এইটো আপোনাৰ অধিকাৰ আছে, কিয়নো মোৰ বিৰুদ্ধে হত্যাৰ অভিযোগ আছে, কিন্তু যদি আপুনি এহছান (দয়া) কৰে তেতিয়া আপুনি মোক ধন্যবাদ জ্ঞাপনকাৰীৰ মাজত পাব। যদি আপুনি ফিদিয়া ল'ব বিচাৰে মই ফিদিয়া দিয়াৰ বাবে প্ৰস্তুত আছো। তিনি দিনলৈকে এই প্ৰশ্ন উত্তৰ চলি থাকিল। তৃতীয় দিনা আঁহজৰত (ছাঃ)য়ে নিজেই চাহাবা সকলক কলে যে ছুমামাক স্বাধীন কৰি দিয়া। চাহাবা সকলে তৎক্ষণাত তেওঁক স্বাধীন কৰি দিলে, ছুমামাই ততাতৈয়াকৈ মছজিদৰ পৰা ওলাই বাহিৰলৈ গুচি গ'ল। চাহাবা সকলে ধাৰণা কৰিছিল যে এতিয়া তেওঁ নিজৰ দেশৰ ফালে গুচি যাব; কিন্তু আঁহজৰত (ছাঃ)য়ে বুজি পাইছিল যে ছুমামাৰ হৃদয় মুকলি হৈছে এতিয়া তেওঁৰ ভিতৰত আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ শক্তিয়ে প্ৰভাৱ বিস্তাৰ লাভ কৰিছে। শেষত ফলাফল এয়াই ওলাল। তেওঁ ওচৰত থকা এটা বাগিছালৈ গ'ল আৰু তাৰ পৰা গা ধুই উভতি আহি আঁহজৰত (ছাঃ)ৰ হাতত মুছলমান হৈ গ'ল। তাৰ পিছত তেওঁ আঁহজৰত (ছাঃ)ক কলে যে হে আল্লাহৰ ৰছুল (ছাঃ)! এসময়ত সমগ্ৰ জগতত আপোনাৰ বাক্তিত্বৰ সৈতে, আপোনাৰ ধৰ্মৰ সৈতে আৰু আপোনাৰ চহৰৰ সৈতে সকলোতকৈ বেছি মই শত্ৰুতা কৰিছিলোঁ; কিন্তু এতিয়া আপোনাৰ ব্যক্তিত্ব

আপোনাৰ ধৰ্ম আৰু আপোনাৰ চহৰৰ মোৰ দৃষ্টিত সকলো বস্তুতকৈ প্ৰিয়।

মুছলমান হোৱাৰ বাবে ছুমামা (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক কয় যে হে আল্লাহৰ ৰছুল ! যেতিয়া আপোনাৰ মানুহে মোক বন্দী কৰিছিল সেই সময়ত মই খানা কাবালৈ উমৰাহৰ বাবে গৈ আছিলো, এতিয়া আপোনাৰ আদেশ কি ? তেখেত (ছাঃ)য়ে ইয়াৰ অনুমতি প্ৰদান কৰি দোৱা কৰে তাৰ পিছত ছুমামাই মক্কাৰ ফালে ৰাওনা হয়। তাতে গৈ ছুমামাই প্ৰবল ঈমানৰ সৈতে কুৰাইছ সকলৰ সন্মুখত প্ৰচাৰ আৰম্ভ কৰে, কুৰাইছ সকলে যেতিয়া এই দৃশ্য দেখা পায় তেতিয়া সিহঁতৰ চকু ৰঙা পৰি যায় তাৰ পিছত ছুমামাক গ্ৰেপ্তাৰ কৰি এই ধাৰণা কৰিলে যে তেওঁক হত্যা কৰি পেলাব। পিছত এই কথা ভাৱিলে যে তেওঁ ইয়ামামা এলেকাৰ চৰ্দাৰ হয় আৰু ইয়ামামাৰ সৈতে মক্কাবাসীৰ ঘনিষ্ঠ বাণিজ্যিক সম্পৰ্ক আছে, এইটো ভাৱি তেওঁলোকে এই ধাৰণাৰ পৰা বিৰত থাকিল আৰু ছুমামাক বেয়াকৈ কৈ এৰি দিলে, কিন্তু ছুমামা (ৰাঃ) উত্তেজিত স্বভাৱৰ আছিল আৰু কুৰাইছৰ সেই অত্যাচাৰ যি তেওঁলোকে তেখেত (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলৰ ওপৰত কৰিছিল সেইবোৰ তেওঁৰ দৃষ্টিৰ সন্মুখতে আছিল। তেওঁ মক্কা পৰিত্যাগ কৰাৰ সময়তে কুৰাইছক কলে যে খোদাৰ শপত! পৰৱৰ্তীত ইয়ামামা এলেকাৰ পৰা এটা শস্যৰ বীজও নাহিব যেতিয়ালৈকে আল্লাহৰ ৰছুলে ইয়াৰ বাবে অনুমতি প্ৰদান নকৰে।

নিজৰ দেশত গৈ সঁচাকৈয়ে মক্কাৰ ফালে ইয়ামামাৰ কাফিলাক অহা যোৱা বন্ধ কৰি দিলে, ইয়ামামাৰ পৰা বৃহৎ পৰিমাণে শস্য মক্কাৰ ফালে আহিছিল, এই বাণিজ্য বন্ধ হোৱাৰ ফলত কুৰাইছ সকলে বৰ সংকটজনক পৰিস্থিতিৰ সন্মুখীন হৈছিল; এতিয়া কিছু দিনেই পাৰ হৈছিল সিহঁতে ভীতিগ্ৰস্ত হৈ আঁহজৰত (ছাঃ)ৰ সেৱালৈ চিঠি প্ৰেৰণ কৰিলে যে আপুনি সদায় দয়াৰ নিৰ্দেশ দিয়ে আমি আপোনাৰ ভাতৃ, আমাক এই দুযোৰ্গৰ পৰা মুক্তি দিয়ক। সেই সময়ত মক্কাৰ কুৰাইছ ইমানে ভয়াতুৰ হৈ পৰিছিল যে সিহঁতে কেৱল এই চিঠিৰ ওপৰতেই ক্ষান্ত হৈ থকা নাছিল বৰং নিজৰ চৰ্দাৰ আবু ছুফিয়ান বিন হৰবক আঁহজৰত (ছাঃ)ৰ ওচৰলৈ পঠিয়ালে, তেওঁ আঁহজৰত (ছাঃ)ৰ সেৱাত উপস্থিত হৈ নিজৰ দুখ প্ৰকাশ কৰি দয়া বিচাৰিলে। তেতিয়া আঁহজৰত (ছাঃ)য়ে ছুমামা বিন উছালক নিৰ্দেশ দিলে যে কুৰাইছ সকলৰ এই কাফিলা অৰ্থাৎ মক্কাবাসীসকলে যি শস্যৰ ওপৰত নিৰ্ভৰশীল সেই শস্য বন্ধ নকৰিব। তাৰ পিছত বাণিজ্যৰ ধাৰাবাহিকতা আকৌ আৰম্ভ হৈ যায় আৰু মক্কাবাসীয়ে দুৰ্যোগৰ পৰা মুক্তি পায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় আব্দুল লতিফ চাহাব ইউ,কেৰ নামাজে জানাজা উপস্থিতিৰ লগতে পাঁচ মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে, যাৰ মাজত দুজন নিষ্ঠাবান শ্বহীদ, মাননীয় তয়ব আহমদ শ্বহীদ ইবনে মাননীয় মঞ্জুৰ আহমদ চাহাব আফ ৰাজিনপুৰ ৰাউলপিণ্ডি যাক ৫ ডিচেম্বৰত আহমদীৰ শত্ৰুৱে কুঠাৰ মাৰি শ্বহীদ কৰি দিছিল, আনজন প্ৰিয় মেহেন্দী মুয়িদ আবু আউৱাদ চাহাব পেলেষ্টাইন যুদ্ধৰ সময়ত এটা ড্ৰোন আক্ৰমণৰ ফলত ২০ বছৰ বয়সত শ্বহীদ হৈছিল। এইদৰে ডাক্তৰ মাছুদ আহমদ মুলক চাহাব প্ৰাক্তন নায়েব আমিৰ আমেৰিকা আৰু মাননীয় শ্ববিৰ আহমদ লুধী চাহাব ইবনে মিঞা মহম্মদ শ্বফি চাহাব আৰু মৌলবী মহম্মদ আয়ুব বাট চাহাব দৰৱেশৰ সদগতিৰ কথা উল্লেখ কৰে।

মৌলবী আয়ুব বাট চাহাব দৰৱেশৰ কথা উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তেওঁৰ বংশত আহমদীয়ত তেওঁৰ মাতৃ মাননীয়া কৰিম বিবি চাহিবাৰ জৰিয়তে আহিছিল। মৃতকৰ লেখা অনুসৰি তেওঁ

যৌৱনত আঁহজৰ (ছাঃ)ক ঘোঁৰাৰ ওপৰত আৰোহণ কৰা দেখা পাইছিল। সেই সপোনৰ ব্যাখ্যা তেওঁৰ মাতৃৱে এইটো কৰিছিল যে তেওঁক আল্লাহ তা'লাই ধৰ্মৰ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিব। ১৯৩৯ চনত মৌলবী চাহাবে নিজৰ জীৱন উচ্চৰ্গা কৰে, ব্যৱস্থাপনাৰ তৰফৰ পৰা তেওঁক ইৰাণ যোৱাৰ নিৰ্দেশ হয়, তাতে পাঁচ বছৰ ধৰ্মৰ সেৱা আগবঢ়ায়, তাৰ পিছত আফগানিস্তানৰ কাবুললৈ যোৱাৰ নিৰ্দেশ হয়, কাবুল যোৱাৰ বাবে কুৱেটত অৱস্থান কৰিছিল, তেতিয়া কুৱেটৰ আমিৰ জামাতে কলে যে আপোনাক কাদিয়ানলৈ মাতিছে। দেশ বিভাজনৰ সময় আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে প্ৰব্ৰজন কৰি লাহোৰত অৱস্থান কৰিছিল, যেতিয়া মৌলবী চাহাব লাহোৰ গৈ পালে তেতিয়া তেওঁক কোৱা হয় যে কাদিয়ান যোৱাৰ বাবে এইটো শেষ ট্ৰাক গৈ আছে, সম্ভৱত ইয়াৰ পিছত আন কোনো ট্ৰাক পোৱা নাযাব, সেই কাৰণে আপুনি কাদিয়ানৰ বাবে ৰাওনা হৈ যাওঁক। কাদিয়ান আহি তেওঁ বিভিন্ন নিৰাপত্তাৰক্ষীৰ ডিউটি কৰাৰ সুযোগ পালে, তাৰ পিছত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ হিদায়ত মৰ্মে হিন্দুস্থানত তবলিগী মুৱাল্লিম হিছাপে ইউ.পি ৰাজ্যৰ জাঞ্চিত পঠোৱা হয়, তাতে তেওঁ উতি উত্তম ভাৱে প্ৰচাৰৰ কাম আগবঢ়ায়।

ভাৰতৰ বিভিন্ন এলেকাত সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিলে; তেওঁ তবলিগৰ কাম কৰি থকা সময়ছোৱাত হোমিঅ পেথিৰ ডিগ্ৰী অৰ্জন কৰে। ইয়াৰ মাধ্যমে বহু নম্ৰ স্বভাৱৰ মানুহ আহমদীয়ত গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰে। তেওঁৰ এজন সন্তান ডাক্তৰ মাহমুদ আহমদ বাট আৰু বোৱাৰী মঞ্জুবাট চাহিবা জীৱন উচ্চৰ্গাকাৰী সিহঁতে দীৰ্ঘ সময় ঘানাত সেৱা আগবঢ়াইছে, বৰ্তমান নুৰ হাস্তপাতাল কাদিয়ানত সেৱা আগবঢ়াই আছে। এইদৰে তেওঁৰ আন এজন ল'ৰা আমেৰিকাত ডাক্তৰ। আল্লাহ তা'লা মৰহুমৰ মৰ্যাদা উন্নতি কৰক লগতে তেওঁৰ বংশধৰক পুণ্য অব্যাহত ৰখাৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 13 DEC 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB